**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 19-11-2024
**Time :** 2125 Hrs

***Assamese Night Bulletin***
**-----------------------**

মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ অধ্যক্ষতাত আজি দিছপুৰত অনুষ্ঠিত অসম মন্ত্ৰীসভাৰ বৈঠকত কেইবাটাও গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ কৰা হয়। বৈঠকৰ অন্তত এখন সংবাদমেল সম্বোধন কৰি মুখ্যমন্ত্ৰীয়ে জনায় যে ৰাজ্যত অহা বছৰৰ ফেব্ৰুৱাৰীত দুটা পৰ্যায়ত পঞ্চায়ত নিৰ্বাচন অনুষ্ঠিত হ'ব আৰু সমগ্ৰ নিৰ্বাচনী প্ৰক্ৰিয়া ১০ ফেব্ৰুৱাৰীৰ ভিতৰত সম্পূৰ্ণ কৰা হ'ব। তেওঁ কয়, যে বৰ্তমান ৰাজ্যখনত পঞ্চায়ত নিৰ্বাচনৰ খচৰা ভোটাৰ তালিকা প্ৰস্তুতিৰ কাম চলি আছে আৰু ৩০ ডিচেম্বৰৰ ভিতৰত ভোটাৰ তালিকা প্ৰকাশ পালে ফেব্ৰুৱাৰীৰ প্ৰথম সপ্তাহৰ ভিতৰত নিৰ্বাচন অনুষ্ঠিত হ'ব।

ৰাজ্য মন্ত্ৰীসভাই গ্ৰহণ কৰা আন সিদ্ধান্তসমূহৰ বিষয়ে ঘোষণা কৰি তেওঁ কয়, যে বৰাক উপত্যকাৰ কৰিমগঞ্জ জিলাৰ নাম শ্ৰীভূমি জিলালৈ পৰিৱৰ্তন কৰা হ'ব। লগতে ৰাজ্যখনলৈ দেশ-বিদেশৰ পৰা অধিক পুঁজি বিনিয়োগক আকৰ্ষিত কৰা আৰু আন্তঃগাঁথনিৰ উন্নয়নৰ বাবে অহা ২৪ ফেব্ৰুৱাৰীত অসম বিনিয়োগ আৰু আন্তঃগাঁথনি মেলাৰ আয়োজন কৰা হ'ব বুলি মুখ্যমন্ত্ৰীয়ে প্ৰকাশ কৰে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক এই বিনিয়োগ মেলালৈ আমন্ত্ৰণ জনোৱা হ'ব বুলিও মুখ্যমন্ত্ৰীয়ে প্ৰকাশ কৰে।

ooooo

কাইলৈ মহাৰাষ্ট্ৰ আৰু ঝাৰখণ্ড বিধানসভাৰ নিৰ্বাচন অনুষ্ঠিত হ'ব। মহাৰাষ্ট্ৰত মুঠ ৪ হাজাৰ ১৩৬ গৰাকী আৰু ঝাৰখণ্ডত ৫২৮ গৰাকী প্ৰাৰ্থীৰ কাইলৈ ৰাজনৈতিক ভাগ্য নিৰ্ণয় হ'ব। মহাৰাষ্ট্ৰৰ ২৮৮টা বিধানসভা সমষ্টিত আৰু ঝাৰখণ্ড বিধানসভা নিৰ্বাচনৰ দ্বিতীয় পৰ্যায়ত কাইলৈ ১২ খন জিলাৰ ৩৮টা সমষ্টিত ভোটগ্ৰহণ অনুষ্ঠিত হ'ব। ইয়াৰ লগতে নাণ্ডেড় লোকসভা সমষ্টিৰ বাবে উপ-নিৰ্বাচন অনুষ্ঠিত হ'ব। পাঞ্জাব, উত্তৰ প্ৰদেশ, কেৰালা আৰু উত্তৰাখণ্ডৰ ১৫টা বিধানসভা সমষ্টিৰ উপ-নিৰ্বাচনৰ বাবেও কাইলৈ ভোটগ্ৰহণ অনুষ্ঠিত হ'ব।

ooooo

অসম প্ৰকাশন পৰিষদে ৰাজ্যৰ ভিন্ন ঠাইত আয়োজন কৰা গ্ৰন্থমেলাসমূহৰ সফল ৰূপায়ণৰ বাবে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই শুভেচ্ছা জ্ঞাপন কৰাৰ লগতে গ্ৰন্থপ্ৰেমীসকলক সহযোগ কৰিবলৈ আহ্বান জনাইছে। মুখ্যমন্ত্ৰীৰ কাৰ্যালয়ে আজি প্ৰকাশ কৰা এটা বাৰ্তাত কোৱা হৈছে যে অসম প্ৰশাসন পৰিষদৰ গ্ৰন্থমেলাই ৰাজ্যত অধ্যয়নমুখী আৰু বৌদ্ধিক পৰিৱেশ সূচনাত উৎসাহ যোগাইছে। লগতে গ্ৰন্থৰ প্ৰকাশক তথা পঢ়ুৱৈ সমাজক উপকৃত কৰাৰ উপৰি দেশ-বিদেশৰ গ্ৰন্থ জগতৰ সৈতে একাত্ম হোৱাত এই গ্ৰন্থমেলাই নিৰ্ণায়ক ভূমিকা গ্ৰহণ কৰিছে বুলিও বাৰ্তাটোত কোৱা হৈছে। উল্লেখযোগ্য যে দুলীয়াজানত অসম গ্ৰন্থমেলা অলপতে সম্পন্ন হৈছে আৰু যোৰহাট তথা নলবাৰীত অব্যাহত আছে। তদুপৰি গুৱাহাটীত অহা ২৭ ডিচেম্বৰৰ পৰা অহা বৰ্ষৰ ৭ জানুৱাৰীলৈ হ'বলগীয়া অসম গ্ৰন্থমেলাৰ লগতে মৰিগাঁও আৰু শিলচৰতো গ্ৰন্থমেলা আয়োজনৰ পৰিকল্পনা কৰি থকা হৈছে বুলি মুখ্যমন্ত্ৰীৰ কাৰ্যালয়ে প্ৰকাশ কৰিছে।

০০০০০

প্ৰাক্তন আলফা সমন্বয়ৰক্ষী সমিতিয়ে মাজুলী জিলা প্ৰশাসন আৰু জিলা কৃষি বিভাগৰ সহযোগত কাৰ্গিল চাপৰিত ৪০০ বিঘা কৃষিভূমিত ভোট জলকীয়াৰ লগতে পিঁয়াজ, সৰিয়হ আদি বিভিন্ন শস্যৰ খেতি কৰিবলৈ উদ্যোগ লৈছে। সেই উদ্যোগক উৎসাহ যোগাবলৈ আজি জিলাখনৰ আয়ুক্ত কাৰ্যালয়ৰ সভাগৃহত ভোট জলকীয়া খেতি কৃষি পদ্ধতি সন্দৰ্ভত কাৰিকৰী প্ৰশিক্ষণ প্ৰদান কৰা হয়। মাজুলীৰ প্ৰাক্তন জিলা কৃষি বিষয়া ইৰছাদ আলীয়ে প্ৰশিক্ষণ দিয়া এই কাৰ্যসূচীত বিধায়ক ভূবন গাম আৰু জিলা আয়ুক্ত ৰাতুল চন্দ্ৰ পাঠক উপস্থিত থাকি সমন্বয়ৰক্ষী সমিতিৰ বিষয়ববীয়াসকলক উৎসাহ যোগায়। অতিৰিক্ত তথা সহকাৰী জিলা আয়ুক্তৰ উপৰি জিলা কৃষি বিষয়া, কৃষি পৰামৰ্শদাতা আৰু বিভাগীয় বিষয়া-কৰ্মচাৰীসকলৰ লগতে প্ৰাক্তন আলফা সমন্বয়ৰক্ষী সমিতিৰ বিষয়ববীয়াসকলো এই কাৰ্যসূচীত উপস্থিত থাকে।

০০০০০

গোৱালপাৰা জিলা আয়ুক্ত খনীন্দ্ৰ চৌধুৰীয়ে আজি কৃষ্ণাই অঞ্চলৰ চেনিমাৰী তৃতীয় খণ্ড গাঁৱৰ জলজীৱন আঁচনিখন পৰিদৰ্শন কৰাৰ লগতে জল উপভোক্তা সমিতিৰ সৈতে এখন সভাতো অংশ লয়। জনস্বাস্থ্য কাৰিকৰী বিভাগে জলজীৱন মিছনৰ আঁচনিসমূহ সুপৰিচালনাৰ বাবে গ্ৰহণ কৰা পদক্ষেপৰ অংশস্বৰূপে আয়ুক্তগৰাকী এই কাৰ্যসূচীত অংশ লয়। উল্লেখযোগ্য যে গোৱালপাৰা জিলাত থকা জলজীৱন মিছনৰ ২৫ খন আঁচনি জনস্বাস্থ্য কাৰিকৰী বিভাগৰ বিষয়া-কৰ্মচাৰী আৰু ১৪ খন প্ৰশাসনিক বিষয়াৰ দ্বাৰা পৰিচালিত হ'ব। আঁচনিসমূহৰ সঠিক ৰূপায়ণ তথা উপভোক্তাই নিয়মীয়াকৈ পানী লাভ কৰাতো সুনিশ্চিত কৰিবলৈ বিষয়াসকলক একোখনকৈ পানী যোগান আঁচনিৰ পৰ্যবেক্ষণৰ দায়িত্ব অৰ্পণ কৰা হৈছে। আজি পৰিদৰ্শনকালত জিলা আয়ুক্ত শ্ৰী চৌধুৰীক জনস্বাস্থ্য কাৰিকৰী বিভাগৰ গোৱালপাৰা সংমণ্ডলৰ কাৰ্যবাহী অভিযন্তা, কনিষ্ঠ অভিযন্তা আৰু জিলা সমন্বয়কে সংগ দিয়ে।

০০০০০

সমাপ্ত